


# মই এটি জোনাকী পৰুৱা

শ্ৰীসনেশ্বৰ বড়ো
স্নাতক ১ম বৰ্ষ (কলা)

ৰাতিৰ জোনাকত সাৰে থাকোঁ মই
হেঁপাহেৰে মূৰ তুলি চাওঁ
অসীম আকাশলৈ
দেখো দূৰণিৰ পৰা নামি অহা
জোনৰ হাঁহি
দেখো তিৰ্ বিৰ্ তৰাৰ
নাচোন
কথা পাতো মনে মনে
আজিও অপূৰ্ণ হৈ ৰ'ল
জোন আৰু তৰা হোৱাৰ
সুতীব্ৰ বাসনা
সেয়ে মই এক অসুখী
জোনাকী পৰুৱা।

---



# আলিংগনৰ আশাত

শ্ৰীৰণজিৎ কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)




যোৱা নিশা সপোনত তোমাক
লগ পাইছিলো
আৰ-বেৰ ভাঙি পাতিছিলো
অভিলাসী গোপন কথা
তোমাৰ চকুত উজলি আছিল
এখন ফৰকাল
মুকলি আকাশ
মোৰ নিসংগ হৃদয়ত উঠিছিল
প্ৰেমৰ জোৱাৰ
উদ্বাউল হৈ উঠিছিলো এক
নিবিড় আলিংগনৰ
আশাত
আচলতে কি জানা—
সপোন সপোনেই
এন্ধাৰতে আহি লীন যায় এন্ধাৰত
কাহানিও নেদেখে মুখ
পোহৰৰ।

---

# গছবোৰৰ পাতে পাতে

শ্ৰীখনিন বড়ো
স্নাতক ৩য় বৰ্ষ (কলা)



গছৰ পাতত আঁকা থাকে
জীৱনৰ ছবি
প্ৰতিটো পাতৰ সিৰাত
প্ৰবাহিত হয় সনাতন
সোঁতৰ প্ৰবাহ
সোঁৱৰাই অতীত বৰ্তমান আৰু
ভৱিষ্যতৰ কথা
পাওঁ তাত যৌৱনৰ মাদকতা
পাওঁ সুখ-দুখ বিৰহ-বিচ্ছেদ
প্ৰেমৰ বতৰা
প্ৰতিটো পাতৰ বিৱৰ্তনত
গঁথা থাকে জীৱনৰ
আয়ুস ৰেখা।

---



# জুই

শ্ৰীদধী মোহন বাভা
স্নাতক ২য় বৰ্ষ (কলা)

জুই—
        এতিয়া সকলোতে জুই
লেলিহান জিভা মেলি
                বিয়পিছে জুই
বিলাসিতা প্ৰৰোচনা
প্ৰতাৰণা নিষ্ঠুৰতা
কামাৰ্তৰ বিকৃত বিভৎসতাৰ জুই
        জ্বলিছে দাউ দাউকৈ
জুই আৰু ধোঁৱাৰ আৱৰ্তত
        আতংকিত নিঃকিন
                জীৱন
ঘুমুতিয়াই ফুৰিছে সিহঁত
উপায়! উপায়!
        পৰিত্ৰাণৰ উপায় ক'ত?

---

# দুখৰ নাও

শ্ৰীবামণি কলিতা
উঃ মাঃ ২ম বৰ্ষ (কলা)

ক'ব নোৱাৰাকৈয়ে ভৰি দিলোঁ
        দুখৰ এন্ধাৰত
উভতিলো দুচকুৰ লোটক বোৱাই
পাহৰিলো অতীতৰ মিঠা হাঁহি
হেৰুৱালো ভাল পোৱাৰ
        ৰঙীন ঐশ্বৰ্য
এতিয়া দিবলৈ পাবলৈ
        একোৱে নাই
বিৰহ-বেদনাৰ পাল তৰি
        এৰি দিছোঁ জীৱন তৰী
                অমোঘ সময় সোঁতত
ঢৌ-ধুমুহা কাটি কাটি
        মৌনতাৰে গৈ আছে সি
                দুৰণিৰ অদেখা
                        সাগৰ থিয়াই।

---

# সংগ্ৰাম

শ্ৰীনৰ কুমাৰ কলিতা
উঃ মাঃ ১ম বৰ্ষ






আজি আৰু মনত নাই
কেতিয়া সোমাই পৰিলোঁ
        অফুৰন্ত জীৱন যুঁজত
মনত আছিল অলেখ বাসনা
পণ আছিল জয়ী হৈ
        জীৱনক কৰিম মণ্ডিত
সময়ত উফৰি পৰিছোঁ
        যুঁজৰ মাজত
উভতি আকৌ ধৰিছোঁ
        যুঁজৰ নিচান
হোৱা নাই এতিয়াও শেষ
        সংগ্ৰামৰ সংঘাত
হোৱা নাই শেষ
        পণ আৰু বাসনাৰ।

---

# বিদায় বৰ্ষ

শ্ৰীৰামধন ৰাভা
স্নাতক ১ম বৰ্ষ

পল অনুপল মিলি
দিন বাৰ মাহ ধৰি পূৰ্ণ হয়
এটি বছৰ
বছৰৰ বুকুত বিয়পে
হাঁহি কান্দোনৰ ছবি
পৰম্পৰাৰ সাঁকোৰে পাৰ হয়
প্ৰতিটো বছৰ
আকৌ আহে নতুন বছৰ
আনে সি সম্ভাৱনা বিড়ম্বনাৰ
মেটমৰা টোপোলা
বিদায়ৰ পিছত ৰৈ যায়
জীৱন পঞ্জীত অনেক স্মৃতি
এন্ধাৰ আৰু পোহৰৰ।



# সমীৰণ


শ্ৰীসমীৰণ ৰাভা
উঃ মাঃ ১ম বৰ্ষ (কলা)

তুমি সমীৰণ
ধীৰ স্থিৰ শান্ত-শিষ্ট
তোমাৰ বিশেষণ
সকলোৰে প্ৰিয় তুমি
তোমাক নেপায় ভাল
জগতত আছেনে
এনে কোনো প্ৰাণী
তোমাৰ পৰশত এন্ধাৰ আঁতৰাই
পুৱাৰ বেলিয়ে
বিলায় পোহৰ
হালি-জালি নাচোন নাচে
ফুল-পাত গছ লতিকাই
বিচিত্ৰ ভংগীৰে গীত গাই উৰি যায়
মনোমোহা প্ৰকৃতিৰ
বিবিধ চৰাই
শীতল সমীৰণ তুমি
জগতৰ প্ৰাণ।

# অকলশৰীয়া

শ্ৰীৰাজু কলিতা
উঃ মাঃ ১ম বৰ্ষ

তোমাৰ স'তে অলপ কথা হ'ব পৰা হ'লে
ভাল আছিল
হৃদয়খন জাৰি-জোকাৰি
তোমাৰ বুকুত থ'ব পৰা হ'লে........
পিছে ভবা কথা
ভবাতেই ৰ'ল
ভাল পোৱাৰ গভীৰতাত
হৃদয়ৰ ভাষাই
বাট হেৰুৱায়
সেয়ে কিজানি মই
আজিও অকলশৰীয়া।



# সপোন

মিচ সোণমণি দাস
উঃ মাঃ ১ম বৰ্ষ (কলা)

সাৰ নোপোৱাই ভাল
যদি হেৰাই যায়
ৰাতিৰ মধুৰ সপোন
সপোনৰ সন্মোহনীত
উজ্জীৱিত হয় জীৱন
বিধে বিধে কিমান যে সপোন
শৈশৱৰ সপোন
যৌৱনৰ সপোন
পিতৃ-মাতৃ ভাতৃ-ভগ্নী
সকলোৰে দেখে
ৰঙীন সপোন
সপোনৰ মাজতে বিচাৰে
ইঙ্গিত দিঠক
অনাগত ভৱিষ্যৎ।

# শৈশৱৰ জোন


শ্ৰীশিখাৰাণী বাভা
উঃ মাঃ ১ম বৰ্ষ

জোন তুমি হোৱা হ'লে
আহিনৰ সেউজীয়া ধাননি
জ্বলালোহেঁতেন পথাৰত
কাতিৰ সংক্ৰান্তিৰ চাকি
হোৱা হলে তুমি আঘোণৰ
সোণৰঙী পকা ধান
আথে-বেথে আদৰি
থলোহেঁতেন ভঁৰালত
তোমাক দেখাৱে পৰা
পাবলৈ কৰিছোঁ হেঁপাহ
নিচেই কাষত
অপলক নয়নেৰে পাৰ কৰিছোঁ
অনেক ৰাতি তোমাৰ
অপৰূপ ৰূপ চাই
কিয় জানো দূৰতেই থাকি ভাল পোৱা
কৰা নেকি ভয় তুমি
কাষলৈ আহিলে মোৰ
হেৰাব পাৰে শৈশৱৰ
মধুৰ সপোন।

# ফুলনি

মিচ চন্দনা শীল
উঃ মাঃ ১ম বৰ্ষ






ফুলনিত ফুলি থাকে
নানাৰঙী ফুল
মৃদু-মলয়াত নাচি বাগি
সুগন্ধি সৌৰভ বিলাই
মাতি আনে মৌ-মাখি
গায় গীত গুণ গুণাই
পখিলাই সখি পাতি ফুলৰ স'তে
ফুলনিৰ সৌন্দৰ্য
দুগুণে চৰায়
সকলোৰে সম্প্ৰীতিৰে
বিয়পায় জটিল মৰ্ত্যত
সৰগৰ অমৃত বতৰা
দুৰ্লভ শোভাই পলকতে
হৰি নিয়ে জীৱন যাতনা।

# মানৱতাৰ সপক্ষে

শ্ৰীপ্ৰাণ কৃষ্ণ ৰয়
উঃ মাঃ ১ম বৰ্ষ (কলা)

পুনৰ অগ্নিগৰ্ভা হৈছে অসম
আততায়ীৰ গুলী বোমা বিস্ফোৰণত
অকালতে প্ৰাণ দিছে নিৰিহে
সাধাৰণ জীৱনৰ বিনিময়ত
বিচাৰে স্বাধীনতা
তথাকথিত বিপ্লৱীয়ে
হিংসাই জন্ম দিয়ে হিংসাৰ
হিংসা সন্ত্ৰাসে নকৰে কেতিয়াও
সমস্যাৰ সমাধান
বিদ্ৰূপেৰে বিপ্লৱীয়ে দিয়ে উৰুৱাই
এই কথা যুক্তিহীন বুলি
প্ৰশ্ন হয়—
কাৰ বাবে এই স্বাধীনতা
নাই য'ত জীৱনৰ দাম
বাঞ্ছিত জয়গীত।






# আবেগ

শ্ৰীমণ্টু ৰাভা
উঃ মাঃ ১ম বৰ্ষ

জীৱনৰ খোজে খোজে ছাঁ হৈ
লাগি থাক তই
মেলি দিয় বুকুৰ মাজত
বেদনাৰ ভাৰ
মন গ'লে বোৱাই দিয়
সুখৰ নিজৰা
কেতিয়াবা উচতাই
ভুল পথে নিয় তই
সহজ সৰল পথিকক
তোৰ আহ্লাদিত
ভোগি থাকে অনেকে
অনেক আহুকাল
তই নহ'লে দেখোন
সকলো অচল
নুঘুৰে জীৱন চকা
পৰিচিত হৈ আছ
আবেগ নামেৰে
এই মৰতত।



# নীলা বৰফ

শ্ৰীদীপামণি দৈমাৰী
স্নাতক ১ম বৰ্ষ

অনুমান কৰিছোঁ মোৰ কলিজাটোৰে
তেজপিয়াৰ দৰে ক্ৰমান্বয়ে
বৰণ সলাইছে
কলিজাৰ ৰঙাবোৰ কমি আহিছে
সি গতি কৰিছে এডোখৰ কঠিন
নীলা বৰফ হ'বলৈ
চেঁচা হৈ গৈছে আবেগ অনুভূতিৰ উম্
নাই তাত হাঁহি উল্লাসৰ
খলকনি
এৰা, পানীৰ ৰূপান্তৰেইটো বৰফ
যেন মুদ্ৰাৰ ইপিঠি সিপিঠি
কেতিয়াবা পমি গলে বুকুৰ কঠিন বৰফ
স্বস্তিৰ নিশ্বাসত ওলাই আহিব
কলিজাৰ গাঢ় নীলা ৰং।

# তুমি আহিবা বুলি

মিচ বৰ্ণালী ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)


তুমি অহাৰ বাতৰি পাই বিচাৰিলো
কলেজ কেন্টিনত
নাহৰৰ তলত
বিচাৰিলো জিৰণি কোঠাত আৰু
বাছ ষ্টপেজত
ক'তো নাই সঁহাৰি তোমাৰ
ব্যৰ্থতাই ভাঙিলে মন
খেলি-মেলিয়ে কৰিলে বিভ্ৰান্ত
আকৌ এবাৰ খেলিলা নেকি
প্ৰবঞ্চনাৰ খেল
তথাপিও বিচাৰিছো মই
তোমাৰ সৰ্বতোপ্ৰকাৰ মংগল
পুতৌ উপজিছে নিজলৈ
কিয় বাৰু বাৰে বাৰে বন্দী হৈছো
আশাৰ জালত।



# উজাগৰী ৰাতি

শ্ৰীজয়শ্ৰী দাস
উঃ মাঃ ১ম বৰ্ষ

মোৰ মন চোতালত
তোমাৰ ছবিৰ
অনাহুত আমনি
পাৰ হয় বহু
উজাগৰী ৰাতি
তোমাৰ কথাৰে
অজানিতে ওলাই আহে
দুচকুৰ নীৰ
কেতিয়াকে হ'ব শেষ
এন্ধাৰ ৰাতিৰ
স্মৃতিৰ যাতনা
ক্লান্ত আজি মই
পাহৰণিক জনাই
আকুল আমন্ত্ৰণ
নিৰুপায় বৰ নিৰুপায়
বিচাৰি এধানি
বাঞ্ছিত পোহৰ।




# স্বাগতম

শ্ৰীহিতেশ্বৰ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

দিন বাৰ বাগৰি আগবাঢ়ে
সময়ৰ গতি
শাশ্বত নিয়মত আহে
নতুন বছৰ
তাৰেই আঁত ধৰি আহে কলেজলৈ
নাম লেখাৰ নতুন 'চেচন'
বাজি থাকে ৰোমান্স বাঁহীৰ সুৰ
কলেজ শব্দত
সুৰৰ মায়াই মাতে তৰুণ-তৰুণী
উখল-মাখল উচাতন মন
চকুত সপোন
জ্ঞানৰ গৰিমাৰে পখালিব
অবিনীত জীৱন
পুৰণিয়ে আদৰে নতুনক
হিয়াৰ উম সানি উলাহেৰে
লয় আকোৱালি
পণ কৰে গায় গীত মিলি-জুলি
ঐক্য-শান্তি-সম্প্ৰীতিৰ
চলি থাকে ইতিহাসৰ
সবল পুৰণি চকা।

# সূৰ্যমুখী ফুল, কাঁইট আৰু গোলাপ

শ্ৰীবসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ



কিমান দিনৰ যে
আকাশমুখী হেঁপাহৰ
প্ৰস্তুতি-পৰিকল্পনা
কষ্টোপাৰ্জিত গাঁঠিৰ ধন ভাঙি
অধীৰ আগ্ৰহেৰে বৈ আছিল
এচাম তজ্‌বজীয়া
তৰুণ উদ্যোক্তা
কপালৰ ঘাম মাটিত পেলাই
ৰঙীন চকীৰে সজাইছিল মহানগৰীৰ
নামী-দামী অভিজাত সভাঘৰ
ফুল আৰু ফুলেৰে
মণ্ডিত কৰিছিল মঞ্চ
সমস্ত অন্যায় ভণ্ডামিৰ বিৰুদ্ধে
গোৱা হ'ব মহাজীৱনৰ মালিতা
মহামিলনৰ উৎসৱ গীতি
শেষ পৰ্যন্ত অনুপস্থিত মুখ্য বিশিষ্ট
নিৰ্দিষ্ট অতিথি
নাহিল যে নাহিল কোনো
সবিনয়ে নিমন্ত্ৰিত
সম্ভ্ৰান্ত দৰ্শক শ্ৰোতা
সময়ত সুধিলত পোনছাটেই দেখুৱালে
ইটো-সিটো দায়-সৰা
বাৰে বাংকৰা অজুহাত

সঁচা জানো সেই কথা—
আচলতে তাত ৰখা হোৱা নাছিল
প্ৰাত্যহিক বিষয়-বাসনা
যুগমীয়া জাত-পাত
প্ৰথাগত ধৰ্মৰ বিচাৰ
শূন্য সভাঘৰত মানৱ দৰদী
ম্ৰিয়মান অকলশৰীয়া
তথাপি সান্ত্বনাৰ শেষ সম্বল
হ'ব পাৰে এয়া উজুটিৰ
প্ৰথম পৰিচয়
প্ৰতিকূল পৰিবেশে সেও মানি সময়ত
এৰি দিব পথ
সত্য-শিৱ-সুন্দৰৰ
ভণ্ডামি মূঢ়তাৰ জাল কাটি
আহিব, আহিব এদিন
ৰংমনে সকলো সোমাই
হতাশাত হুহকিলে নুফুলিব
সূৰ্যমুখী ফুল
প্ৰেমৰ গোলাপ।

———


# গল্প

## সূচীপত্ৰ


| | | |
|---|---|---|
| এটা কেঁচা স্মৃতিৰ তুলিকা | শ্ৰীমানস দাস | ৩৩ |
| বাটত লগ পোৱা ছোৱালীজনী | ৰঞ্জিত কলিতা | ৩৫ |
| অৱক্ষয় | দীপামণি দৈমাৰী | ৩৭ |
| সপোন | খনিন বড়ো | ৪০ |

# এটা কেঁচা স্মৃতিৰ তুলিকা

শ্ৰীমানস দাস
স্নাতক ২য় বৰ্ষ (কলা)



বাছৰ পৰা নামি বন্ধু প্ৰান্তিকৰ লগত খোজ কাঢ়িলো। প্ৰায় তিনি কিলোমিটাৰ। ৰাস্তাৰ দুয়োকাষে শালনিবাৰী। মানুহৰ বসতি পাতল। ৰাস্তা একেবাৰে পৰিত্যক্ত। ৰাস্তাৰ মাজেৰে যোৱা মানে পথাৰৰ বোকা গচকি অহা একে কথা। কাৰণ ওচৰৰ পাহাৰখনৰ পৰা ট্ৰাকবোৰে শিল আনি ৰাস্তাটো বিয়াঘৰীয়া পাৰ সদৃশ কৰিছে। অৱশেষত এখন জনজাতীয় গাঁৱত আমাৰ গন্তব্যস্থান বিবাহস্থলী পালো। একেবাৰে শিলনীয়া পাহাৰখনৰ নামনিতে। পাহাৰখনৰ চাৰিওফালে চলিছে শিল ভঙাৰ সংগ্ৰাম। গ্ৰীষ্ম বন্ধৰ বাবে সৰু-বৰ সকলোৱে গছৰ ছাঁত হাতত হাতুৰি লৈ শিল ভাঙিছে। কামাখ্যা দেৱীৰ লোভত পৰি নৰকাসুৰে দিয়া নিৰ্দেশৰ দৰে সিহঁতেও যেন টকাৰ লোভত পৰি চৌব্বিছ ঘণ্টাৰ ভিতৰতে পাহাৰখন ধ্বংসহে কৰিব।

প্ৰান্তিকৰ সৰু মোমায়েক এণ্টনি বড়োৰ বিয়া। কইনা গাঁৱৰে। গাঁৱৰ মানুহ তিনি ভাগত বিভক্ত। এভাগ পাহাৰত। প্ৰান্তিকহঁতৰ আটাইবোৰ দুদিন আগতে আহিছে। দেউতাক বন বিষয়া। উপাধিত গোস্বামী। প্ৰেমত পৰিয়ে নে আন কিবা কাৰণত মাকক বিয়া কৰালে সি নাজানে।

বিবাহস্থলীৰ চিনাকি বুলিবলৈ প্ৰান্তিকৰ পৰিয়ালটো আৰু এণ্টনি মামাই প্ৰথম কিন্তু পিছলৈ বহুতৰ সতে চিনাকি হ'ল। অলপ সময়ৰ অন্তৰে অন্তৰে প্ৰান্তিকৰ মাক-দেউতাক আৰু ভণ্টি ৰীতাই "ভোক লাগিছে নেকি?" "ইমান মন মাৰি আছা কিয়?" ইত্যাদি প্ৰশ্ন কৰি পুনৰ নিজৰ নিজৰ কামত ব্যস্ত হয়। দৰাৰ ডাঙৰ ভাগিন হিচাপে প্ৰান্তিক বৰ ব্যস্ত। ৰঙালী বিহুৰ সাংস্কৃতিক সম্পাদকৰ দৰে। প্ৰগ্ৰেম চলি থকাৰ মাজতে অলপ সময় পোৱাৰ দৰে সিও মাজে মাজে মোৰ খবৰ লয়।

এণ্টনি মামাহঁতৰ ঘৰ পাহাৰখনৰ নামনিতে হোৱা বাবে বাৰীখন ক্ৰমান্বয়ে ওপৰলৈ উঠি যোৱা। সেইবাবে কিজানি ইখন সিখন কৰোতে ৰান্ধনিশালৰ পৰা চোতাললৈ, চোতালৰ পৰা পদূলিলৈ অহা-যোৱা কৰোতে মোৰ ভীষণ ভাগৰ লাগিছিল। আহাৰ মাহৰ উৎকট গৰম। উপায় নাপাই ৰান্ধনিশালৰ পিছফালে থকা শালগছ দুডালৰ গাতে লাগি থকা ডাঙৰ শিলটোত বহি ললো। পাহাৰৰ চাৰিওফালৰ পৰা ভাহি অহা শিলভঙা শব্দ আৰু ৰান্ধনিশালৰ গাহৰি মাংসৰ গোন্ধ বতাহৰ সৈতে মিহলি হৈছে। সেই শব্দ আৰু গোন্ধৰ এক নতুন আমেজ উপভোগ কৰিলো।

কাম কৰা মানুহৰ বাবে বোধহয় কেইজনীমান তিৰোতা টকাৰ বাবদ কাম কৰিব আনিছে। সিহঁতক সকলোৱে বাই বুলি মাতে। নাজানো কিয়? ময়ো বাই বুলিয়ে মাতিলো। সিহঁতৰ পিন্ধনত দখনা। নিজা ভাষা আছে যদিও সুন্দৰকৈ অসমীয়া জানে। বাইহঁতৰ কামৰ অন্ত নাই। ইফালে বাই সিফালে বাই— যেন মেচিনহে। বাইহঁত তিনিজনী, দুজনীৰ বয়সৰ চাপ পৰিছে। কিন্তু এজনী একেবাৰে কম বয়সীয়া আৰু ৰূপৱতী। নাম তাইৰ আশা। তাইৰ দেহৰ গভীৰতাক দখনায়ো ঢাকি ৰাখিব পৰা নাই।

মই বহি থকা শিলটোত সিহঁতে সময় পালে বহে। অলপ সময় পিছতে শিলটোক উদ্দেশ্য কৰি আহিছে। মোৰ একেবাৰে ওচৰতে সিহঁতৰ ভাষাতে কথা পাতিছে খং ভাবত। শিলটোত বহাৰ বাবে কিজানি মোৰ ওপৰত সিহঁতৰ খং। তাকে ভাবি বহাৰ

পৰা উঠি আহিব খোজোতে এজনীয়ে আপুনি বহক বুলি মোৰ ওচৰতে বহিলে। মোক যে বেয়া পোৱা নাই নিশ্চিত হ'লো। বৃদ্ধা দুজনীয়ে বৰকৈ বিড়ি হুপে। এজনীয়ে ক'বলৈ ধৰিলে আপুনি ক'ৰ পৰা আহিছে, কেনেকুৱা আলহী, পঢ়েনে, কিবা কৰেনে ইত্যাদি।

মোৰ চমু পৰিচয় দি সিহঁতৰ মাজত সোমাবলৈ চেষ্টা কৰিলো। আমাৰ কথা বাঢ়িল, আপোনাৰ ঠাইত তুমি হ'লো, মই ভালে পালো। কথাৰ মাজতে আশাক অৱশ্যে চাওঁ। তাই নাজানে, বাইহঁতৰ খং উঠাৰ কাৰণটোও জানিলো। গাহৰিৰ মাংস কটাৰ দায়িত্বত থকা কেইজনমানে নিজৰ কাম শেষ কৰি মদ খাবলৈ আৰম্ভ কৰিছে। মদৰ ৰাগীতে কোনোবা এজনে ৰাতিৰ বাবে সাজু থাকিব দিছে। কিন্তু তথাপিতো বাইহঁতে মদাহীৰ প্ৰত্যুত্তৰ দিব নোৱাৰে কাৰণ সিহঁত ক্ষুদ্ৰতম বনুৱা। সিহঁতৰ দুখ-ভাগৰক স্বীকৃতি দিয়া লোক তাকৰ।

কথাৰ মাজেৰে গৈ বাইহঁতৰ পৰিয়ালত প্ৰবেশ কৰিলোঁ। এজনীৰ স্বামী মদাহী, ল'ৰা-ছোৱালী আছে যদিও এতিয়া সকলোৱে বেলেগে সংসাৰ কৰে। এজনী বিধবা, এজন ল'ৰা, দিনত ৰিক্সা চলায়, ৰাতি জুৱা খেলে আৰু আশাৰ মানুহজন ড্ৰাইভাৰ। পিতম ড্ৰাইভাৰ। আজিৰ পৰা দুবছৰ আগতে পিতমৰ নাম নজনা লোক আশাহঁতৰ বস্তিত নাছিল। চফল ডেকা, সা-সম্পত্তি অধিক। বস্তিৰ ল'ৰাবোৰে তাৰ তলত মেঘালয়ত কয়লাৰ ট্ৰাক চলায়। মাজে মাজে আশাহঁতৰ ঘৰলৈ মদ খাবলৈ আহে। আশাৰ দেৱী সদৃশ ৰূপত মুগ্ধ হৈ সি তাইক ভাল পাই পেলালে। ভবামতে কাম। এদিনাখন দুয়ো পলাই আহিল। পিতমে গাড়ী লৈ যায়, সপ্তাহত এদিন ঘৰলৈ আহে। পৰম সুখেৰে এবছৰ অতিক্ৰম কৰে সিহঁতৰ সুখৰ সংসাৰে। কিন্তু কেইমাহমান আগৰপৰা পিতমৰ অৱস্থা একেবাৰে বেয়া হৈছিল। দিনক দিনে তাৰ স্বাস্থ্যৰ ভীষণ অৱনতি। এদিন আশাই গম পালে যে সি এইচ. আই. ভি (HIV) পজিটিভত আক্ৰান্ত। আশাই জানে তাৰ মৃত্যু অনিবাৰ্য। তাইৰ বাবে পিতম এতিয়া অপ্ৰয়োজনীয়ভাৱে প্ৰয়োজনীয় স্বামীহে। সাঁচতীয়া সকলোবোৰ শেষ হোৱাত আশাৰ অৱস্থা এতিয়া পানীত হাঁহ নচৰা হ'ল। উপায় নাপাই তাই বাইহঁতৰ লগ লাগিল। অকণো সংকোচ নকৰাকৈ প্ৰত্যেকেই নিজৰ নিজৰ বাস্তৱবোৰ বৰ্ণনা কৰিলে। সিহঁতৰ কথা জানি মনটো বিষাদেৰে ভৰি পৰিল।


চোতালত ইতিমধ্যে মানুহৰ সমাগম বাঢ়িছে। পাহাৰৰ শিল ভঙা শব্দ কমিছে, বাইহঁতৰ কামো বাঢ়িল। ঘনে ঘনে উঠা-নমা কৰোতে আশা একেবাৰে ভাগৰি পৰিছে। তাই প্ৰতিটো খোজ মৃত্যুৰ বাবেহে যেন আগবঢ়াইছে। আনে কি ভাৱে নাজানো? মই কিন্তু সাংঘাতিকভাৱে তাইৰ প্ৰতি দুৰ্বল হৈ পৰিছো। তাইৰ উঠন বুকুৰ মাদকতাত নহয়, প্ৰেমত নহয়, ৰূপত নহয় মাথো অসহায় চকুযুৰিত। এক সাম্ভাব্য বিপদৰ ভয়ত তাই চটফটাই আছে। কাম কৰি থকা ডেকাকেইজন, টেন্ট হাউচৰ ল'ৰা দুজন, গাহৰিৰ মাংস কটাকেইজন বা মামাৰ ভদ্ৰ বন্ধুকেইজনে যিকোনো সুবিধা পালেই তাইক পেংলাই কৰে। আনকি ৰান্ধনি শালত ভাং খাই থকা আগদাঁত সৰা বৃদ্ধ দুজনেও। কিয় বাৰু আশাৰ ওপৰত সকলোৰে লোলুপ দৃষ্টি। তাইৰ জন্ম কেৱল কামনাৰ বাবেই নেকি? তায়ো এজনী তেজ-মঙহৰ মানুহ, দুখ-ভাগৰ আছে, নিজস্ব মৰ্যাদা আৰু বহুতো সপোন বুকুত বান্ধি তায়ো জীয়াই থাকিব বিচাৰে। কিন্তু সিহঁতে কিয় অলপো বুজিব নোখোজে? কলিজাটো কঁপি উঠে। মোক বাৰু তাই কি ভাবে লৈছে।

নিশা প্ৰায় দহমান বজাত মানুহ ক্ৰমে কমি আহিছে। সেই সুযোগতে প্ৰান্তিকৰ লগত ভাত খাই তাৰ নিৰ্দেশতে কইনা আনিব যাবলৈ সাজু হ'লো। হুলস্থুলীয়া পৰিবেশ। তাৰ মাজতে এবাৰ বাইহঁতৰ খবৰ কৰিলো। আন কৰ্মীসকলৰ কাম শেষ, কিন্তু বাইহঁতৰ বাঢ়িছেহে। টেন্ট হাউচৰ মালিকে হুকুম দিছে "ৰাতিপুৱাই থালি-হাড়ি আদি আন কামলৈ দিব লাগিব। গতিকে এতিয়াই সেইবোৰ পৰিষ্কাৰ কৰিব লাগে"। আটাইকেইজনীয়ে নিঝৰাৰ পৰা পানী অনাত ব্যস্ত। হঠাতে আশা পানীৰ বাল্টিৰ সৈতে তলত বাগৰি পৰিল। তৎক্ষণাত দৌৰি গৈ বাই দুজনীৰ লগত শিলটোলৈ আশাক দাঙি আনিলো। তাই অচেতন, সমভাগী হ'বলৈ কোনো নাই। পৰ্যায়ক্ৰমে প্ৰাথমিক চিকিৎসা কৰিলোঁ। মোক ওচৰত দেখি বাইহঁত পুনৰ পানী আনিবলৈ গ'ল। কিছুসময় পিছত আশাই চকু মেলিলে। তাই মোক জোৰেৰে সাৱটি ধৰিলে। তাইৰ ঘামি থকা ব্লাউজৰ পৰা অহা ভেকেটা গোন্ধ এটা নাকত লাগিল। তাই উচুপি উচুপি ক'ব ধৰিলে ভাই, এইড্‌ছ ৰোগ সংক্ৰামক নেকি? মোৰ গৰ্ভত থকা সন্তানটি এইড্‌ছৰ পৰা মুক্ত হ'বনে? মই মাক হ'ব পাৰিমনে? ভাই, গৰ্ভৱতী, এইড্‌ছ, সন্তান আদি মৰ্মান্তিক শব্দৰে ভৰা বাক্যবোৰে মোক অন্যমনস্ক কৰি পেলাইছিল, মগজু বিচল হৈ পৰিছিল। নাজানো কিমান সময় শিলটোত বহি আছিলো। পাহাৰৰ পৰা নামি অহা চেঁচা বতাহ, নিমাওমাও পৰিবেশত অৱচেতন মনৰ চেতনা আহিল। দেখিলো আশা নাই। বাইহঁত কোনোৱে নাই। চোতালত মাত্ৰ কেইজনমান বৃদ্ধ।

ইতিমধ্যে আকাশখন ডাৱৰে ঢাকি আহিছে। ঘনে ঘনে বাইহঁতৰ কথাকে মনলৈ আহিছে। এনেতে ৰান্ধনিশালত মানুহৰ কথা কোৱাৰ শব্দ। আগ্ৰহেৰে তালৈ আগবাঢ়িলো। দেখিলো বয়সীয়া বাই দুজনীয়ে গা-ধুই এহাতে এডাল বিড়ি আৰু আনহাতে এগিলাচ মদিৰা লৈ বহি আছে। আৰু আশাই নিজৰ ভাগৰ বাচন-বৰ্তনবোৰ একান্তমনে ধুই আছে, নিঃশব্দে নীৰবে, বুঢ়া লুইতৰ দৰে। ❑

# বাটত লগ পোৱা ছোৱালীজনী

শ্ৰীৰঞ্জিত কলিতা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)



তীব্ৰগতিৰে বাছখন ঢাপলি মেলিছে চহৰ অভিমুখে। বাছখনৰ যাত্ৰী দয়ানন্দ হাজৰিকাই খিৰিকিৰে বাহিৰৰ অনুপম প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গৈছে। বাছখনত কোনো চিনাকি মানুহ নথকাত তেওঁ বৰ অকলশৰীয়া অকলশৰীয়া অনুভৱ কৰিলে। সামাজিক বনানিকৰণ বিভাগে ৰোপণ কৰা শাৰী শাৰী গছবোৰৰ মাজেৰে পথৰ দুয়ো কাষৰ ধূলি উৰুৱাই গৈ থকা বাছখন এঠাইত ৰখালে। গাভৰু যুৱতী এগৰাকী দৌৰাদৌৰিকৈ আহি বাছত উঠিল। যুৱতীজনীয়ে ইফালে সিফালে চাই হাজৰিকাৰ কাষৰ খালী ছিটটোলৈ লক্ষ্য কৰি আহি হাজৰিকাক সুধিলে— "ইয়াত কোনোবা আছে নেকি দেউতা।" দেউতা সম্বোধন কৰাত হাজৰিকাই কিছু অপ্ৰস্তুত হৈ ছোৱালীজনীৰ মুখলৈ চালে। বেছ মৰম লগা মিঠা বৰণীয়া এজনী ষোড়সী গাভৰু। বয়সে ভাটি দিয়াৰ বাবে ডেকা-গাভৰুৱে "দেউতা" বুলি মতাত আপত্তি কৰিবলগীয়া নাই— হাজৰিকাই মনতে ভাবিলে। ছোৱালীজনীয়ে পুনৰ সুধিলে —"বহিব পাৰিম নে দেউতা?" হাজৰিকাই কাষৰ ছিটটোত থৈ দিয়া বেগখন আঁতৰাই ছোৱালীজনীক বহিবলৈ দিলে। ছোৱালীজনীয়ে হাজৰিকাৰ হাতৰ পৰা বেগখন কাঢ়ি আনি—"ওপৰত থৈ দিও দিয়ক দেউতা" বুলি বেগখন ওপৰৰ ৰেকত থৈ হাজৰিকাৰ কাষতে বহি দিলে।

ফাগুনমহীয়া ৰাস্তাৰ ধূলি উৰুৱাই বাছখন পুনৰ আগবাঢ়িল দ্ৰুত গতিৰে। খিৰিকিৰে সোমাই অহা ধূলিবোৰে বৰকৈ আমনি কৰিছে হাজৰিকাক। হাজৰিকাৰ ৰূপালী ৰঙৰ চুলিখিনি খিৰিকিৰে সোমাই অহা বতাহৰ কোবত আউল-বাউল হৈ পৰিছে। হাতৰ ৰুমালখনেৰে বাৰে বাৰে চকু মুখ মচি মচি আমনি পোৱা দেখি কাষৰ ছোৱালীজনীয়ে ক'লে— "দেউতা আপুনি বৰ কষ্ট পাইছে। আপুনি মোৰ ছিটটোলৈ আহক। মই খিৰিকিৰ কাষৰ ছিটটোত বহো"। হাজৰিকাই কোনো আপত্তি নকৰাকৈ ছিটটো সলাই বহিল। পেটে পেটে ভালেই পালে তেওঁ। কাৰণ বাহিৰৰ বতাহ জাকে তেওঁক বৰ আমনি দিছিল। ছোৱালীজনীয়ে খিৰিকিৰ কাষৰ ছিটটোত বহি চকুত ক'লা চশ্মাযোৰ লগাই বেগৰ পৰা কিতাপ এখন উলিয়াই একান্ত মনেৰে পঢ়িবলৈ আৰম্ভ কৰিলে। ছোৱালীজনীয়ে পঢ়া কিতাপখন আছিল হোমেন বৰগোঁহাইৰ "আত্মানুসন্ধান" নামৰ কিতাপখন। ছোৱালীজনীৰ মুখলৈ চাই হাজৰিকাই এনেয়ে সুধি দিলে—"কিতাপখন আগতে পঢ়া নাই?"

"নাই " চমু উত্তৰ। "আপুনি পঢ়িছে নিশ্চয়?"— "কেবাবাৰো পঢ়িছো । বৰ ভাল কিতাপ............।" হোমেন বৰগোঁহাইৰ পৰা আৰম্ভ কৰি ভূপেন হাজৰিকা, নৰকান্ত বৰুৱা,

দেৱকান্ত বৰুৱা, কমলা কান্ত ভট্টাচাৰ্যলৈকে বিভিন্নজনৰ সাহিত্যিক প্ৰতিভাৰ এক বিস্তৃত আলোচনা চলি থাকোতে হঠাৎ বাছখন কোনো এক ঠাইত ৰখালে। খৰ-খেদাকৈ ছোৱালীজনী বাছৰ পৰা নামি গ'ল আৰু ঘূৰি আহোতে হাতত কমলা, আপেল, কলকে আদি কৰি কেইবাবিধো খাদ্য সামগ্ৰী লৈ আহি হাজৰিকাৰ হাতত গুজি দিলে। প্ৰথমতে আপত্তি কৰিছিল যদিও পিছত ছোৱালীজনীৰ মৰমৰ দাবীত তেওঁ খাবলৈ বাধ্য হ'ল। পুনৰ বাছ চলিল আৰু কিছুদূৰ যোৱাৰ পিছত ছোৱালীজনীয়ে হাজৰিকাক নমস্কাৰ জনাই মাত দিলে—"দেউতা আপুনি যাব। মোৰ নামিবৰ হ'ল। আকৌ কেতিয়াবা এনেকৈয়ে লগ পাঁও যেন।" ছোৱালীজনীলৈ হাজৰিকাৰ দয়া উপজিল। বৰ মৰমীয়াল ছোৱালী। তেওঁ মনতে ভাবিলে এনেকুৱা এজনী ছোৱালী বোৱাৰী হিচাপে পোৱাহেঁতেন ভগৱানক ধন্যবাদ দিলোহেঁতেন। ছোৱালীজনী গুচি যোৱাৰ পিছত হাজৰিকাৰ মনটো বৰ উদাস উদাস লাগিল। অন্ততঃ আমনি নলগাকৈ সময়খিনি পাৰ কৰাকৈ এগৰাকী সহযাত্ৰী পাইছিল তেওঁ। কাৰোবাৰ সান্নিধ্যই মনলৈ হৰ্ষ উল্লাসৰ জোৱাৰ অনাৰ দৰে কাৰোবাৰ বিদায়ে মনলৈ আনে বিষাদ, অৱসাদ আৰু নিৰানন্দ। কিছুদূৰ যোৱাৰ পিছত গন্তব্য স্থান পোৱাত তেওঁ বাছৰ পৰা নামি ভনীয়েকৰ ঘৰলৈ বুলি খোজ ললে। ভনীয়েকৰ ঘৰত দুদিনমান কটাই তেওঁ ঘৰলৈ ঘূৰি আহিল আৰু ঘৈণীয়েকক বাটত লগ পোৱা ছোৱালীজনীৰ বিষয়ে সবিশেষ জনালে আৰু এটি দীঘল হুমুনিয়াহ কাঢ়ি ক'লে— "হেৰা, বৰ মৰমীয়াল ছোৱালীহে। আমাৰ সুশান্তৰ লগত ভাল মিলিলেহেঁতেন। এনে এজনী ছোৱালী বোৱাৰী হিচাপে পোৱাতো বৰ সৌভাগ্যৰ কথা হ'লহেঁতেন...........।"

সুশান্ত হাজৰিকাৰ একমাত্ৰ সন্তান। চহৰত চৰকাৰী চাকৰি কৰে। মাকৰ একান্ত ইচ্ছা এই বছৰতে পুতেকৰ বিয়াখন পাতিব লাগে। তাৰ বয়সো হৈছে। দিন কাল ভাল নহয়। কোনেবা ক'ত, কেতিয়া , কেনেকৈ লন্তে তাৰ ঠিকনা নাই। সেয়ে যিমান পাৰি সোনকালে তাৰ বিয়াখন পাতিব লাগে। এই বেলি পূজাতেই যিকোনো প্ৰকাৰে তাৰ বিয়াৰ এটা বন্দবস্ত কৰিবই লাগিব।

................. পূজাৰ বন্ধত সুশান্ত কেইদিনমানৰ বাবে ঘৰলৈ আহিল। এই সুযোগতে দেউতাকে তাৰ বিয়াৰ কথা উলিয়ালে। দেউতাকে বাছত লগ পোৱা ছোৱালীজনীৰ কথা তাক বিৱৰি কোৱাত সি ক'লে— যে সি মাক দেউতাকৰ ইচ্ছাৰ বিৰুদ্ধে কোনো কাম নকৰে। তেওঁলোকে যি ভাল দেখে, যি কৰিবলৈ কয় তাকে কৰিবলৈ সি প্ৰস্তুত। সেইমতে সি দেউতাকক ছোৱালীজনীৰ ঘৰলৈ গৈ কথা পাতিবলৈ ক'লে। কিন্তু দেউতাকে ছোৱালীজনীৰ নাম ঠিকনা একোৱেই নজনাৰ বাবে ছোৱালীজনী বিচাৰি উলিওৱা সম্ভৱ নহ'ল। এনেকৈ কেবাদিনো খা-খবৰ কৰি ছোৱালীজনীৰ সন্ধান উলিওৱাত বিফল হৈ শেষত মাকৰ কথামতে সুশান্তই নিজে ঠিক কৰা ছোৱালীজনীকে চাবলৈ সিদ্ধান্ত কৰিলে। সেইমতে মাক-দেউতাক আৰু মোমায়েক-মাহীয়েক সুশান্তই পছন্দ কৰা ছোৱালীজনীৰ ঘৰ বিচাৰি ওলাল। আবেলি পৰত তেওঁলোকে ঘৰখন বিচাৰি পালেগৈ। বেচ সুন্দৰ, পৰিপাটী, আটোম টোকাৰীকৈ ৰখা এখন ঘৰ। পদুলিমুখত অচিনাকি ব্যক্তি দেখি এজন বয়সস্থ লোক ওলাই আহিল। "এইখন প্ৰবীণ শইকীয়াৰ ঘৰ হয়নে?" সুশান্তৰ দেউতাকে সুধিলে।

"হয়। আহক ভিতৰলৈ আহক"।

ড্ৰয়িং ৰুমতে আটায়ে বহিল।

"মই হ'লে আপোনালোকৰ এজনকো চিনি পোৱা নাই।" শইকীয়াদেৱে সুধিলে।

"হয় হয়। চিনি নাপাবই। আমি কিছু দূৰণিৰ পৰা আহিছো।" এই বুলি দয়ানন্দ হাজৰিকাই নিজৰ আৰু বাকী কেইজনৰো চিনাকি দিলে। "মাজনী, কবিতা, তামোল দিয়া চোন।" এই বুলি কৈ শইকীয়াই নিজৰ আৰু পৰিয়ালৰ পৰিচয় আগবঢ়ালে। কবিতা তেওঁৰ একমাত্ৰ ছোৱালী। ইতিহাস বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ ঘৰতে এনেয়ে আছে। এনেতে হাতত তামোলৰ বটাখন লৈ অলপ লাজ আৰু সংকোচভাবেৰে পৰ্দ্দাখন ঠেলি ড্ৰয়িং ৰুমলৈ সোমাই আহিল এজনী ছোৱালী আৰু বিস্ময়েৰে চিঞৰি দিলে— "দেউতা, আপুনি কেনেকৈ চিনি পালে আমাৰ ঘৰ? সেইদিনা আহিয়েই মা-দেউতাক কৈছোহি আপোনাৰ কথা। " বটাখন টেবুলত থৈ উধাতু খাই ভিতৰলৈ সোমাই তাই মাকক চিঞৰি চিঞৰি ক'লে— "মা মা, সেইদিনা যে কৈছিলো বাছত লগ পোৱা মৰমীয়াল মানুহজন তেখেত আহিছে........................"

দয়ানন্দ হাজৰিকাই চকুৰে ধুৱলী কুঁৱলী দেখিবলৈ ধৰিলে। তেওঁ নিজকে বিশ্বাস কৰিব পৰা নাই। ইমান দিনে যিজনী ছোৱালীৰ সন্ধানত তেওঁ হাহাকাৰ কৰি ফুৰিছে সেইজনী ছোৱালীক আজি হাততে পাই স্বৰ্গ ঢুকি পোৱা যেন লাগিল তেওঁৰ। বুকুৰ মাজত আনন্দৰ জোৱাৰ উঠিল। ইপ্সিত বস্তু পোৱাৰ আনন্দত আত্মহাৰা হৈ পৰিল। হৃদপিণ্ড, ধমনি, সিৰা আৰু উপসিৰাৰ স্পন্দন তীব্ৰতৰ হোৱা যেন অনুভৱ কৰিলে তেওঁ। বাহিৰলৈ চাই দেখিলে এছাতি বতাহে গছৰ পাতবোৰ কোৱাই গৈছে। সন্মুখৰ ফুলনিখনৰ পৰা এক সুগন্ধি সুবাস কোঠাটোৰ ভিতৰলৈ সোমাই আহিল। ছোৱালীজনীয়ে কৰা প্ৰশ্নৰ কি উত্তৰ দিব তাক বিচাৰি তেওঁ ইফালে সিফালে চোৱাত ড্ৰয়িংৰুমৰ এচুকত থকা শ্ৰীকৃষ্ণৰ মূৰ্ত্তিটোত চকু পৰিল আৰু অজানিতে হাজৰিকাৰ মুখৰ পৰা ওলাই আহিল "হে ঈশ্বৰ তুমি সঁচাকৈয়ে মহান।" ❑

# অন্নক্ষয়

শ্ৰীদীপামণি দৈমাৰী
স্নাতক ১ম বৰ্ষ (কলা)



মানুহৰ জুমটো দেখি থমকি ৰ'ল সি। সি মানে আঘোনা। মানুহৰ সমাগমটো দেখি কিবা এটা উৎসুকতাৰ সৃষ্টি হ'ল তাৰ মনত। ইমান মানুহ, কিয় বা জুম বান্ধিছেহি? জানিবৰ মন গ'ল তাৰ। পেটত কলমলাই থকা ভোকটোৰ কথা ক্ষন্তেকৰ বাবে পাহৰি সি জুমটোৰ ফালে একেথিৰে চাই ৰ'ল। এনেতে তাৰ কাষেৰে পাৰ হৈ যোৱা এজন মানুহক আঘোনাই সুধিলে, "বাবু, সৌ তাত ইমান মানুহ কিয় গোট খাইছে অ'?" মানুহজনে ক'লে, "কিয়, আপুনি নাজানে নেকি আজি যে আমাৰ সমষ্টিৰ নতুন বিধায়কজন এই ঠাইলৈ আহিব? ইয়াতে সভা পাতি তেওঁক সম্বৰ্দ্ধনা জনোৱা হ'ব। লগতে এটা ডাঙৰ ভোজৰো আয়োজন কৰা হৈছে। ভোজৰ সকলো খৰচ বিধায়কজনেই দিছে হেনো।" কথাখিনি কৈয়েই মানুহজনে বেগাবেগিকৈ গুচি গ'ল।

দুদিন ধৰি আঘোনাৰ পেটত খুদকণ এটাও পৰা নাই। গাঁৱতো ক'তো একো খাবলৈ নাপাই আঘোনা গাঁৱৰ ওচৰৰ এই সৰু চহৰখনলৈ ওলাই আহিছে। গাঁৱত বাৰু কাৰ তাত খাবলৈ পাব সি। সকলোৰে একেই দশা। এই চহৰখনতে দিন হাজিৰা কৰি পেট প্ৰৱৰ্তায়। এসাঁজ খালে আনসাঁজলৈ চিন্তা তেনেস্থলত তাত সি কি খাবলৈ পাব? সেয়েহে সি হাড়ে-চালে লগা দুৰ্বল দেহাটো লৈ কোনোমতে ঢলং-পলংকৈ এই চহৰখনলৈ ওলাই আহিছে এমুঠি অন্নৰ আশাত। দুদিনৰ ভোক পেটত লৈ আছে সি, তাতে ভোজৰ কথাটো শুনি তাৰ ভোকটো দুগুণে চৰিল। এসাঁজ পেট পুৰাই খাবলৈ পাব সি, তাকে ভাবি আঘোনাই মানুহৰ জুমটোৰ ফালে দুৰ্বল খোজেৰে অগ্ৰসৰ হ'ল। আচলতে মানুহবোৰ যিখন ঠাইত গোট খাইছে সেই ঠাইখন কোনোবা ৰাজনৈতিক দলৰ কাৰ্যালয়ৰহে চৌহদ। কোন দলৰ কাৰ্যালয় নাজানে সি, বিধায়কজন এই দলৰে হ'ব নিশ্চয়, আঘোনাই ভাবিলে। ৰাজনীতিৰ আওভাও বুজি নোপোৱা আঘোনাও সেই জুমটোৰ কাষত থিয় হ'ল, এসাঁজ খাবলৈ পোৱাৰ আশাৰে। এই চহৰখনলৈ নহা তাৰ বহুদিনেই হ'ল। বুঢ়া হোৱাৰ পৰা চহৰখনলৈ অহাটো কমিছে তাৰ। ডেকাকালত ইয়াতেই হাজিৰা কৰি পেট প্ৰৱৰ্তাইছিল সি। সেউতীৰ সতে দুজনীয়া পৰিয়ালটো হাজিৰাৰ টকাৰে কোনোমতে চলিছিল, দুবেলা দুমুঠি খাবলৈ পাইছিল সিহঁতে। তাতেই সন্তুষ্ট আছিল সিহঁত। উচ্চাকাংক্ষা নাছিল সিহঁতৰ, যিখিনি সামৰ্থ্য সেইখিনিক লৈয়ে সন্তুষ্ট আছিল

সৰলমনা সিহঁতহালে। নিজৰ দৰিদ্ৰতাক লৈ সিহঁতে কেতিয়াও দুখ কৰা নাছিল। ভগৱানৰ ওপৰত অগাধ বিশ্বাস আছিল সিহঁত দুজনৰ। কিন্তু সেই ভগৱানেই আঘোনাৰ সেউতীক তাৰপৰা কাঢ়ি লৈ গ'ল। ভগৱানৰ প্ৰিয়পাত্ৰী আছিল বাবেই কিজানি তাইক ভগৱানে অতি সোনকালেই নিজৰ ওচৰলৈ লৈ গ'ল। নিঃসন্তান সেউতীয়ে পৃথিৱীৰ লীলা-খেলা বেছি চাবলৈ নাপালে, অতি কম বয়সতেই তাই এই পৃথিৱীৰ পৰা বিদায় ল'বলগা হ'ল। উচ্চ ৰক্তচাপ ৰোগ থকা সেউতীয়ে হঠাতে এদিন তাক এৰি গ'ল, চিৰদিনৰ বাবে। আঘোনাক ধৰুৱা কৰি থৈ গ'ল সেউতীয়ে, তাই চিকিৎসা কৰাৰ সুযোগকণো নিদিলে তাক। ইমান সোনকালে আঁতৰি যাব পাৰিলেনে বাৰু তাই? ভাবি আচৰিত হয় সি। সকলো ভাগ্যৰ লিখন বুলি নিজকে প্ৰবোধ দিয়াৰ বাহিৰে তাৰ আন উপায় নাছিল। সেউতীৰ মৃত্যুৰ পিছত আকৌ বিয়া পাতিব পাৰিলেহেঁতেন সি। কিন্তু নাই সি নাপাতিলে। সেউতীৰ লগত বিশ্বাসঘাতকতা কৰিব নোৱাৰে সি। সেউতীৰ স্মৃতিকে বুকুত বান্ধি আঘোনাই দিন নিয়াবলৈ ধৰিলে। চহৰত হাজিৰা কৰে আৰু দুমুঠি খাই জীয়াই থাকে। এয়াই তাৰ জীৱন। ডেকা কালটো এনেদৰে পাৰ কৰালে সি। লাহে লাহে আঘোনা বুঢ়া হৈ আহিল। বৃদ্ধাৱস্থাৰ লগে লগে সি দুৰ্বল হৈ আহিল, শৰীৰত শক্তি নোহোৱা হৈ আহিল। আগৰদৰে কাম কৰিব নোৱাৰা হ'ল। উপায় নাপাই সি গাঁৱৰ ঘৰে ঘৰে ভিক্ষা কৰিবলৈ ধৰিলে। গাঁৱৰ মানুহখিনিয়েও তাৰ কেও-কিছু নোহোৱা দেখি পাৰ্যমানে সহায় কৰিলে। কিন্তু, কৰিলে বুলিনো কিমান সহায় কৰিব বাৰু দুখীয়া মানুহখিনিয়ে। সিহঁত সকলোৰে একেই অৱস্থা। পিছপৰা গাঁওখনত অৱস্থাসম্পন্ন মানুহ এঘৰো নাই। সকলোৱে সেই সৰু চহৰখনত হাজিৰা কৰি কোনোমতে পেট প্ৰৱৰ্তাই আহিছে। সেয়েহে সেইবাৰ আঘোনাই বেলেগ গাঁৱলৈ ভিক্ষা মাগিবলৈ ওলাল একমাত্ৰ পেটৰ তাড়নাত। সেইদৰে কেইদিনমান গ'ল। কিন্তু যোৱা দুদিন ধৰি সি ক'তো একো খাবলৈ পোৱা নাই। আহাৰৰ সন্ধানতেই আজি সি বহুদিনৰ মূৰত আকৌ তাক নিৰাপত্তা দিয়া চহৰখনলৈ আহিছে।

সভাৰ কাৰণে ঠিক কৰা মঞ্চৰ সন্মুখৰ বহল ৰাইজ বহা ঠাইখিনিত বহি পৰিল আঘোনা। অলপ পিছতে বিধায়কজন পাবহি, সেয়ে মানুহবোৰৰো ব্যস্ততাৰ অন্ত নোহোৱা হ'ল। ইজনে সিজনক ইটো-সিটো কৰিবলৈ নিৰ্দেশ দিছে। কাৰোৱে যেন ৰ'বলৈ সময় নাই। মানুহবোৰে ইফালে সিফালে লৰা-ঢপৰা কৰি ফুৰিবলৈ ধৰিলে। টাকুৰি ঘূৰাদি কাম কৰি কৰি যেন সিহঁত আহৰি নোপোৱা হৈছে। এনেতে কোনোবা এজনে চিঞৰি উঠিল, "পালেহি পালেহি, সৌৱা এম.এল.এ. আহি পালেহি।" তাৰ কথা শুনি সকলোৱে চাইৰেণ বজাই ৰাস্তাৰে আহি থকা গাড়ীকেইখনলৈ চালে। সকলোৱে লৰা-ঢপৰা, হেতা-ওপৰা কৰি বিধায়কক আদৰণি জনাবলৈ গ'ল। কেৱল বহা ঠাইতে বহি ৰ'ল আঘোনা। শৰীৰটো অৱশ হৈ পৰিছে, উঠিবলৈ মন নগ'ল তাৰ। মানুহখিনিৰ হেতা-ওপৰাকে চাই ৰ'ল সি। অলপ সময়ৰ হুলস্থূলৰ পিছত মানুহবোৰে বিধায়কজনক আদৰণি জনালে। অনতিপলমে সভা আৰম্ভ হ'ল। বিধায়কজনক সম্বৰ্দ্ধনা জনোৱা হ'ল। সভা আৰম্ভ হ'ল। বিধায়কজনে ভাষণ দিবলৈ আৰম্ভ কৰিলে। তেওঁৰ দীঘলীয়া ভাষণত অতিষ্ঠ হৈ পৰিল আঘোনা। সময় বঢ়াৰ লগে লগে তেওঁৰ পেটৰ ভোকটোও বাঢ়িবলৈ ধৰিলে। বাৰে বাৰে তাৰ মনলৈ ভাব আহিল "ভোজৰ সময়টো বাৰু কেতিয়া আহি পাবহি।" এনেকৈ কুকুৰৰ দৰে ইমানপৰে এসাঁজৰ কাৰণে পৰ দিবলগা হোৱাত তাৰ লাজো লাগিল, বিৰক্তিও লাগিল। তাৰেই ভাগ্যৰ বিড়ম্বনা বুলি সান্ত্বনা লভিলে আঘোনাই। এপাকতে তাৰ ইয়াৰপৰা ওলাই যাবলৈ মন গ'ল। কিন্তু, নাই নোৱাৰে সি। দুদিনীয়া লঘোণীয়া দেহাটো লৈ আৰু ভিক্ষা কৰিবলৈ ওলাই যাব নোৱাৰে সি। সভা শেষ হোৱালৈ অপেক্ষা কৰিবলৈ মনতে থিৰ কৰিলে আঘোনাই। তাৰ বহু অপেক্ষাৰ অন্তত, উচপিচনিৰ অন্তত সভাখন শেষ হ'ল। মুখলৈ অলপ পানী আহিল তাৰ। হওঁক দে, তাৰ পেটটোৱে অকণ শান্তি পাব। ভাবিলে সি। অলপ পিছতে ভোজৰ আয়োজন সম্পূৰ্ণ হ'ল। নিমন্ত্ৰণৰ দায়িত্বত থকাসকলে সভাত উপস্থিত থকা গণ্য-মান্য ব্যক্তিসকলক আৰু সাধাৰণ ৰাইজক প্ৰীতিভোজৰ বাবে সাদৰেৰে নিমন্ত্ৰণ কৰি নিলে কেৱল আঘোনাৰ বাহিৰে। তথাপি সি ধৈৰ্য নেহেৰুৱালে। ভাবিলে পিছৰবাৰ তাঁকো মাতিব কিজানি। কিন্তু পিছৰবাৰো আঘোনাৰ প্ৰতি কাৰো দৃষ্টিগোচৰ নহ'ল। তাৰ চকুৰ আগতে তিনি-চাৰিটা দল ভোজ-ভাত খাই ঘৰাঘৰি গুচি গ'ল। কিন্তু দুদিনৰ ভোক পেটত ৰাখি এচুকত বহি থকা আঘোনা বুঢ়ালৈ কাৰো চকু নগ'ল। উপায় নাপাই আঘোনাই পঞ্চমবাৰৰ দলটোত নমতাকৈয়ে খাবলৈ লাহে লাহে আগবাঢ়ি গ'ল। আঁৰ কাপোৰেৰে আঁৰ দিয়া অস্থায়ী ভোজনালয়টোত সোমাই গৈ আঘোণাই এখন বেঞ্চৰ এমূৰ দখল কৰি ল'লে। কোনোবা এজনে তাৰ আগত এখন পাত দি গ'ল আৰু লগে লগে আন এজনে তাৰ পাতত ভাত দি গ'ল আন এজনে দাইল দি গ'ল। নাই সি আৰু ৰ'ব নোৱাৰিলে। তৰকাৰীখিনি নোপোৱাকৈ আঘোনাই ভাত এমুঠি মুখৰ ওচৰলৈ খাবলৈ নিওতেই কাৰোবাৰ ব্ৰজকঠোৰ মাতে তাৰ কৰ্ণকুহৰত আঘাত হানিলে। চক খাই উঠিল সি।

ঃ "বুঢ়া, এই বুঢ়া। কোনে আহিবলৈ ক'লে তোক ইয়াত। তোকতো আমি মতা নাছিলো। নমতাকৈ ভোজলৈ আহিবলৈ লাজ নালাগে? এতিয়াই গুচি যোৱা ইয়াৰপৰা।"

মানুহজনৰ কৰ্কশ মাতত আঘোনা হতভম্ব হৈ পৰিল। তাৰ

যে ইমান তীক্ষ্ণ বাক্যবান নিক্ষেপ কৰিব পাৰিব, নিজৰ কাণ দুখনকো বিশ্বাস কৰিব পৰা নাছিল সি। আঘোনাই মানুহজনৰ মুখলৈ ভেবা লাগি চাই থাকিল। তাকে দেখি মানুহজনে আকৌ ধমকিৰ সুৰত ক'লে "মুখৰ ফালে কি ভেবা লাগি চাই আছা। ওলাই যাব নোৱাৰা। আৰু যদি ওলাই যাব নাজানা তেনেহ'লে তোক ৰাস্তা দেখুৱাই দিছো ৰ'বা।" এইবুলি মানুহজনে একপ্ৰকাৰ জোৰ কৰিয়েই আঘোনাক বলপূৰ্বক আহাৰৰ পাতৰ পৰা উঠাই খেদি পঠালে। তাক যে ইমান নিষ্ঠুৰ ব্যৱহাৰ কৰিব সপোনতো ভবা নাছিল সি। তাৰপৰা আঁতৰি সি দুৰ্বল খোজেৰে উদ্দেশ্যবিহীনভাৱে যাবলৈ ধৰিলে। মানুহজনৰ নিষ্ঠুৰ ব্যৱহাৰ আৰু দুদিন অনাহাৰে থকাৰ কাৰণে তাৰ মূৰটো আচন্দ্ৰাই কৰা যেন লাগিল। নিজকে চুৰা চেলেকা কুকুৰ যেন লাগিল আঘোনাৰ। আগতেও ভিক্ষা কৰি খাইছে সি, তথাপি ইমানদিনে কাৰোপৰা তেনে নীচ ব্যৱহাৰ পোৱা নাই আঘোনাই। গাঁৱলীয়া সহজ-সৰল দুখীয়া মানুহখিনিয়ে তেনে নীচ ব্যৱহাৰৰ কথা ভাবিবই নোৱাৰে। সিহঁতৰ মৰমতেই ইমানদিনে শান্তি পাই আছে আঘোনাই। ইমান নীচ ব্যৱহাৰ! নিজৰ ওপৰতেই ধিক্কাৰ জন্মিল তাৰ। কিয় বাৰু তাৰ প্ৰতি ইমান অন্যায়? কিয়? কিয়? কোনে দিব তাৰ এই প্ৰশ্নৰ উত্তৰ? ভিক্ষাৰী হোৱা বাবেই কিজানি এই ব্যৱহাৰ তাৰ প্ৰতি। সি নাগৰিক নহয় জানো এই দেশৰ? এয়াই নেকি গণতন্ত্ৰ, য'ত নাগৰিকসকল সুৰক্ষিত নহয়। এয়াই নেকি গণতান্ত্ৰিক দেশ য'ত দুখীয়াৰ সমাজত স্থান নাই, মান নাই, নিৰাপত্তা নাই। আন দহজনে য'ত আজি স্থান পালে, সি নাপালে কিয়? একমাত্ৰ ভিক্ষাৰী হোৱা বাবেই কিজানি। কিন্তু সিটো চোৰ-ডকাইত নহয়। আঘোনাই শুনিছে এই ৰাজনীতিৰ লগত জড়িত বেছিভাগেই হেনো একো একোজন মুখাপিন্ধা চোৰ, একো একোজন লুটৰাজ ডকাইত। এইখন দেশৰ নাগৰিক সি, ভোটদানৰ অধিকাৰ পাইছে সি। সিতো কোনো পগলা নহয়, অপৰাধী নহয়, গতিকে ভোটদানৰ অধিকাৰ নাপাবই বা কিয়? মাথো দুখীয়া বাবেই তাৰ প্ৰতি এই অবিচাৰ। তেনেস্থলত এই দেশ গণতান্ত্ৰিক দেশ হ'বই নোৱাৰে য'ত দুখীয়াৰ স্থান নাই। ধনীসকলৰ বাবেহে যেন এই শাসনব্যৱস্থা। সেয়া যেন গণতন্ত্ৰ নহয়, ধনীকতন্ত্ৰহে। এইবেলি আঘোনাই নিৰ্বাচনৰ দিনা ওচৰৰে গাঁওখনৰ কেন্দ্ৰত সম্পূৰ্ণ এবেলা মাগিবলৈ নগৈ শাৰী পাতি ভোট দিছে। কিহৰ আশাত? দুখীয়া মানুহ, কিজানি কিবা সহায় পায়েই। সেই আশাৰেই সিহঁতে প্ৰতিবাৰে ভোটদান কৰি আহিছে। অথচ আজি এই ব্যৱহাৰ। ইয়াকে আশা কৰিয়েইতো সিহঁতে ভোটদান নকৰে। এবাৰি ভাল মাত পাবলৈ নাই ইহঁতৰ মুখত। এই লুটেৰা সোপাক ভোট দি জয়ী কৰাৰ কোনো যুক্তি নাই। আঘোনাই মনতে ভাবিলে। থাকক, অহাবাৰ নিৰ্বাচনলৈ যদি সি জীয়াই থাকে তেন্তে সি ভোট নিদিয়ে। দি লাভেই বা হ'ব কি? দেশখনৰ চৌদিশে আজি হাহাকাৰ। মানুহে মানুহৰ কাৰণে আৰু আজি নাভাবে। মানুহ আৰু মানুহ হৈ থকা নাই, অমানুহ হৈছে মানুহ। ইতৰ জন্তুলৈ পৰ্যবসিত হ'বলৈ আৰু বাকী নাই এই মানৱ জাতিৰ। চৌদিশে আজি মানৱতাৰ স্খলন বিৰাজমান। কিমান চাব বাৰু সৰলমনা আঘোনাই বৰ্তমান সমাজৰ "মানৱতাৰ অৱক্ষয়"। পশ্চিমৰ আকাশত বেলিটো ডুব যাবলৈ আৰম্ভ কৰিছে। অলপ পিছতেই এন্ধাৰ হ'ব, ঘোৰ অন্ধকাৰ। ঢলং ঢপং কৈ আঘোনাই খোজ দিলে অস্তমিত সুৰুযৰ দিশে।



# সপোন

শ্ৰীখনিন বড়ো
স্নাতক ৩য় বৰ্ষ (কলা শাখা)



বিছনাত পৰাৰ লগে লগেই দিনটোৰ ক্লান্তি-অৱসাদে হেঁচা মাৰি ধৰিলে তাক। শোৱাৰ আগতে কিতাপৰ দুটামান পৃষ্ঠা হলেও পঢ়া তাৰ এক অভ্যাস। সেয়ে জিতুৱে বিছনাত পৰি কিতাপ এখন হাতত তুলি ল'লে। কিতাপখন মেলিয়েই চকুত পৰিল— "প্ৰিয়তমাৰ চিঠি" নামৰ কবিতাটি। বৰ সুন্দৰ কবিতা। কবিতাটোত চকু ফুৰাওতেই তাৰ মানসপটত ভাহি উঠিল এখনি প্ৰতিচ্ছবি—তাৰ প্ৰিয়তমাৰ। মানে মীনাৰ। মীনা চঞ্চলা, চপলা এক অপৰূপ সুন্দৰী। হঠাৎ এদিন মীনাৰ সৈতে চিনাকি হৈছিল তাৰ আৰু এই চিনাকিয়েই পিছলৈ এদিন সিহঁতৰ মাজত গঢ়ি উঠিছিল ভালপোৱা— ইজনে সিজনক বুজি পোৱা এৰিব নোৱাৰা—এক গভীৰ প্ৰেম। মীনাক সি বহুদিন লগ পোৱা নাই। মানে লগ কৰিব পৰা নাই। এই মুহূৰ্ত্তত তাৰ মন উৰা মাৰিলে মীনাৰ ওচৰলৈ তাইক লগ পাবলৈ ..............!

প্ৰিয়তমাৰ আগমনত মীনাৰ মন উঠলি উঠিল। এই মুহূৰ্ত্তত যে তাই জিতুক সাৱটি ধৰি সহস্ৰ চমুৱে উপচাই দিব। জিতুক হাতত ধৰি তাই দৌৰ দিলে সিহঁতৰ প্ৰেমৰ সাক্ষী ৰঙানদীৰ পাৰলৈ। শৰতৰ ৰঙচঙীয়া আবেলিত ৰঙানদীৰ পাৰৰ সেউজীয়া প্ৰকৃতিয়ে অপৰূপ সাজেৰে নাচি-বাগি মতলীয়া হৈ পৰিছে। মনোমোহা সেই দৃশ। প্ৰকৃতিৰ এই দৃশ্য দেখি প্ৰিয়তমা মীনাই আত্মহাৰা হৈ পৰিল— বাঃ! কি সুন্দৰ পৰিবেশ। আজি ঠাইডোখৰ কিমান ভাল লাগিছে চোৱা জিতু! এফালে নদী, আনফালে সেউজীয়া কোমল প্ৰকৃতি আৰু গছৰ ডালে ডালে চৰাই চিৰিকটিৰ চিঁ চিঁ মাত। আঃ কি যে সুন্দৰ! (মীনাই আঙুলিয়াই) সৌটো চোৱা জিতু কিমান ধুনীয়া

পক্ষী। বৰ মৰম লাগিছে দেই। ওঁ............. মা।"

জিতুৱে প্ৰিয়তমা মীনাৰ মনৰ উল্লাস দেখি গভীৰ ভাৱত মগ্ন হৈ পৰিল........."তোমাক যদি মই একেবাৰে নিজৰ কৰি ল'ব পৰাহেঁতেন কিমান ভাল লাগিলহেঁতেন। তাই বাৰু কিহৰ বাবে ইমান উল্লাস কৰিছে এতিয়া, মোৰ দৰে হয়তো তায়ো বহুত কথাই ক'ব খোজে নেকি মোক? কিন্তু মই যে তাইৰ মা-দেউতাৰ কথা বুজি নাপাওঁ। মাথো মই বুজি পাইছোঁ তোমাৰ চকুৰ ভাষা। উচুপনিত লুকাই থকা তোমাৰ হৃদয়ৰ মৰ্ম বেদনা। মই জানো, তুমি মোক প্ৰাণ ভৰি ভালপোৱা। তোমাৰ চকুত, তোমাৰ ভাৱত সকলোতেই মই দেখিছোঁ তোমাৰ ভালপোৱা, তোমাৰ প্ৰেমৰ মধুৰ ইংগিত। কিমান সুন্দৰ কিমান মৰম লগা তুমি। তোমাক কাষত পাই আজি সময়ৰ পাছত মীনাইও জিতুৰ হাত এখন আনি তাইৰ উঠন বুকুৰ মাজত ৰাখি বুজাবলৈ যত্ন কৰিলে যে মৰো তোমাক কিমান ভাল পাওঁ।

তাৰ পাছত দুয়ো পৰস্পৰক আকোঁৱালী ধৰিলে। জিতুৱে মীনাৰ কোমল দেহত মৰমৰ হাত বুলাই এক অপূৰ্ব শিহৰণ অনুভৱ কৰিবলৈ ধৰিলে। সঁচাই কি সুন্দৰ এই পৃথিৱীখন। কি যে সুখ আৰু আনন্দ লুকাই আছে এই প্ৰেমত। কোনো দিনে ভেদ কৰিব নোৱাৰা এক অপূৰ্ব সুখ আৰু আনন্দ। মই চিৰকালৰ বাবে তোমাক মোৰ কাষত ৰাখি এই অপূৰ্ব সুখ লাভ কৰিব বিচাৰো। তুমি মোৰ পৰা আঁতৰি নাযাবা। "I love you Mina, I love you"

আনন্দত দুয়ো মাটিত শুই পৰিল। আবেলিৰ ৰিব্-ৰিব্




অনুভৱ কৰিছো এক স্বৰ্গীয় আনন্দ। আঃ কিমান মধুৰ! কিমান আনন্দ। আছেনে ইয়াৰ তুলনা পাবলৈ এই পৃথিৱীত? মোৰ মন গৈছে অনন্ত কাললৈ মই তোমাক কাষত পাবলৈ এই ৰঙা নদীৰ পাৰত। অনন্ত কাললৈ বিয়পি থাকিব এই আবেলি, শৰৎ কালৰ এই ফৰকাল আকাশ; সৰল গছৰ সেউজী পাতক জোকাই থকা ৰিব্ ৰিব্ মৃদু চেঁচা বতাহজাক আৰু তোমাৰ কোমলীয়া দেহৰ সংস্পৰ্শ।"

গভীৰ ভাৱত আক্ৰান্ত জিতুৱে মীনাক বাহুত ধৰি নিজৰ কাষলৈ চপাই আনিলে আৰু ক'লে......"মীনা! তোমাক খুউব ভাল লাগিছে! এবাৰ মোৰ বুকুৰ মাজলৈ আহা না। মই যে তোমাক কিমান ভাল পাওঁ। এয়া চোৱা।" জিতুৱে মীনাৰ হাত এখন আনি নিজৰ বুকুত ৰাখি হৃদয়ৰ স্পন্দন অনুভৱ কৰিবলৈ দিলে। কিছু বতাহত সৰল গছৰ দুই এখিলা বেজিমুখীয়া পাত উৰি আহি সিহঁতৰ গাত পৰিল। অলপ পাছতে এহালি চৰাই উৰি আহি সন্মুখৰ সৰল গছ জোপাৰ ওপৰত পৰি চিঁ চিঁয়াবলৈ ধৰিলে। চৰাই হালৰ গীতত ঠাই ডোখৰ মুখৰিত হৈ পৰিল। শুই শুই চৰাইহালৰ কাৰ্যকলাপ জিতু আৰু মীনাই আপোনমনে লক্ষ্য কৰিবলৈ ধৰিলে। সিহঁতে চঞ্চলভাৱে ইটোৱে সিটোক খেদি ফুৰিছে, মাজে মাজে একেলগে বহি ঠোঁটেৰে পৰস্পৰৰ পাখিৰ ওপৰত খুটিয়াই খুটিয়াই মৰম জনাইছে আৰু অৱশেষত সিহঁতৰ চকুৰ আগতে চৰাইহালে মিলনত ৰত হৈছে। তাকে দেখি মীনাই লাজত ৰঙা পৰি জিতুৰ বুকুত নিজৰ মুখখন লুকুৱালে। তাই অনুভৱ কৰিলে যে এক ক'ব নোৱাৰা উত্তেজনাত —তাই কঁপিব ধৰিছে হয়তো চৰাইহালৰ মিলনৰ দৃশ্যই তাইৰ যৌৱন পুষ্ট শৰীৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তাই জিতুৰ

বুকুত সোমোৱাৰ লগে লগে জিতুৰ সবল দুবাহুৱে মীনাক সাৱটি ধৰিলে। ক'ব নোৱাৰাকৈ দুখন উত্তপ্ত ওঁঠ সংলগ্ন হৈ পৰিল। পশ্চিমৰ আকাশত তেতিয়া বেলিটোৱে লুকা-ভাকু খেলিছে মেঘৰ সৈতে। পোহৰক খেদি এন্ধাৰে পৃথিৱীত সোমাবলৈ সংগ্ৰাম কৰিছে। সিঁহত অলপ প্ৰকৃতিস্থ হৈ ঘৰলৈ উভতিবলৈ মনস্থ কৰিলে। পশ্চিমৰ পৰা প্ৰবল বেগেৰে এজাক ধুমুহা বৈ আহিল। আকস্মিক ধুমুহাৰ আগমনত হতবম্ব হৈ দুয়ো গৃহাভিমুখে দৌৰ দিলে। হঠাৎ মীনাৰ গাৰ চুৰ্ণীখন বতাহে উৰুৱাই নিলে। তাকে দেখি জিতুৱে চুৰ্ণীখনৰ পিছে পিছে দৌৰ দিলে। কোনো এক মুহূৰ্তত প্ৰকাণ্ড গছৰ ডাল এটি ভাঙি আহি মীনাৰ গাৰ ওপৰতে পৰিল। মীনাৰ বিকট চিঞৰ শুনি জিতু দৌৰি আহিল মীনাৰ ওচৰলৈ। মীনাৰ নিস্তেজ, নিঠৰ স্পন্দনহীন দেহটো জোকাৰি সি— "মীনা" "মীনা" বুলি চিঞৰিবলৈ ধৰিলে। সেই চিঞৰত সি গভীৰ টোপনিৰ পৰা থতমত খাই সাৰ পাই গ'ল। চকু দুটা মোহাৰি মোহাৰি চাই দেখিলে—লেম্পটো জ্বলিয়ে আছে তেতিয়াও অবিৰত ভাৱে।

উত্তম ৰচনাৰ এটা প্ৰধান নিয়ম হ'ল এই যে কোনো লেখকেই তেওঁ জনা বা ভবা সকলো কথা পাঠকক কৈ দিব নালাগে। তেওঁ জনা বা ভবা সকলো কথাৰ পৰা বাছি বাছি তেওঁ কেৱল সেইবোৰ কথাহে ক'ব লাগে যিবোৰ কথাৰ কিবা নহয় কিবা এটা বিশেষ তাৎপৰ্য থাকে।

—ৰবাৰ্ট লিণ্ড

# প্ৰতিবেদন